# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 08-04 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
## HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, দেশক শক্তিশালী আৰু সুস্থিৰ কৰি ৰখাৰ বাবে কেন্দ্ৰত এখন শক্তিশালী চৰকাৰ নিৰ্বাচন কৰাই হৈছে সমাগত লোকসভা নিৰ্বাচনৰ উদ্দেশ্য।

২। লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে মনোনয়ন প্ৰত্যাহাৰৰ আজি অন্তিন দিন।

৩। সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত অসমত বিভিন্ন দলৰ শীৰ্ষ কেন্দ্ৰীয় পৰ্যায়ৰ নেতাৰ লগতে বিভিন্ন ৰাজনৈতিক দলৰ নেতা, মন্ত্ৰী, সাংসদ তথা বিধায়কৰ প্ৰচাৰ অব্যাহত আছে।

৪। ৰাছিয়াত নিৰ্মাণ হৈ থকা ভাৰতীয় নৌসেনাৰ দুখনকৈ যুদ্ধ জাহাজ চলিত বৰ্ষৰ শেষৰফালে ভাৰতলৈ প্ৰেৰণ কৰাৰ সম্ভাৱনা আছে।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে, গুজৰাট টাইটানছক ৩৩ ৰানত পৰাজিত কৰাৰ লগতে মুম্বাই ইণ্ডিয়ানছে দেলহী কেপিটেলছক ২৯ ৰানত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, দেশক শক্তিশালী আৰু সুস্থিৰ কৰি ৰখাৰ বাবে কেন্দ্ৰত এখন শক্তিশালী চৰকাৰ নিৰ্বাচন কৰাই হৈছে সমাগত লোকসভা নিৰ্বাচনৰ উদ্দেশ্য। তেওঁ লগতে কয় যে, চৰকাৰৰ বিভিন্ন নীতিৰ ফলস্বৰূপে ভাৰতে বৰ্তমান গোলকীয় ক্ষেত্ৰত বিনিয়োগৰ বিকাশৰ লগতে এটা উল্লেখনীয় স্থান লাভ কৰিছে। পশ্চিমবংগৰ জলপাইগুৰিৰ ঝুমুৰত কালি এখন ৰাজহুৱা সভা সম্বোধন কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে এইদৰে কয়। শ্ৰীমোদীয়ে কয় যে, শ্যামাপ্ৰসাদ মুখাৰ্জীৰ দূৰদৰ্শিতাৰ বাবে ভাৰত আজি সন্ত্ৰাসমুক্ত। তেওঁ লগতে ৩৭০ নম্বৰ অনুচ্ছেদ বাতিল কৰাৰ পাছত কাশ্মীৰ সন্ত্ৰাসমুক্ত হৈছে বুলিও উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে বিগত দশকত অনুসূচিত জাতি, অনুসূচিত জনজাতি তথা নাৰী শক্তিকে ধৰি সবলীকৰণৰ ক্ষেত্ৰত বিজেপিৰ পদক্ষেপসমূহৰ কথা উল্লেখ কৰে। তেওঁ কয় যে, বিগত ১০ বছৰত বিজেপিয়ে দেশৰ অন্তিম মাইলপৰ্যন্ত উন্নয়ন নিশ্চিত কৰিছে। আনহাতে পশ্চিমবংগত চাহ উদ্যোগৰ দুৰৱস্থাৰ বাবে তৃণমূল কংগ্ৰেছ দায়ী বুলি অভিযোগ কৰি শ্ৰীমোদীয়ে কয় যে, ৰাজ্যখনত শাসনত থকা টি এম চিয়ে বিভিন্ন ধৰণৰ কল্যাণকামী আঁচনিসমূহ ৰূপায়নৰ পৰা বিৰত থাকি জনসাধাৰণক উন্নয়নৰ পৰা বঞ্চিত কৰিছে। তেওঁ I.N.D.I ৰ মিত্ৰজোঁটৰ দেশক নেতৃত্ব দিয়াৰ কোনো দৰ্শন নাই বুলিও মন্তব্য কৰে। পৰ্যটকক আকৰ্ষণ তথা বিনিয়োগ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি উত্তৰবংগত

জি-২০ সন্মিলন অনুষ্ঠিত কৰা হৈছিল বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে বিজেপি শাসনলৈ আহিলে ৰাজ্যখনত বিনিয়োগ বৃদ্ধি পাব বুলি আশ্বাস দিয়ে।

ইপিনে তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জীয়ে কয় যে, ৰাজ্যখনৰ জনসাধাৰণৰ উন্নয়নৰ বাবে তেওঁৰ দল প্ৰতিশ্ৰুতিবদ্ধ। পশ্চিমবংগৰ পুৰুলীয়াত টি এম চিৰ প্ৰাৰ্থী শান্তিৰাম মাহাটোৰ সমৰ্থনত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি শ্ৰীমতী বেনাৰ্জীয়ে জনসাধাৰণক তৃণমূল কংগ্ৰেছক ভোটদান কৰিবলৈ আহ্বান জনায়।

০০০০০

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে মনোনয়ন প্ৰত্যাহাৰৰ আজি অন্তিন দিন। এই পৰ্যায়ত আউটাৰ মণিপুৰ লোকসভা সমষ্টিৰ বাকী থকা অংশকে ধৰি ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৮৮খন লোকসভা আসনৰ বাবে অহা ২৬ এপ্ৰিলত নিৰ্বাচন অনুষ্ঠিত হ'ব। আউটাৰ মণিপুৰ সমষ্টিৰ এটা অংশত প্ৰথম পৰ্যায়ত অহা ১৯ এপ্ৰিলত নিৰ্বাচন অনুষ্ঠিত হ'ব। এই পৰ্যায়ত কেৰালাৰ ২০টা সমষ্টি, কৰ্ণাটকৰ ১৪টা, ৰাজস্থানৰ ১৩টা, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ ৮টাকৈ সমষ্টি, মধ্যপ্ৰদেশৰ ৭টা সমষ্টি, অসম আৰু বিহাৰৰ ৫টাকৈ সমষ্টি, পশ্চিমবংগ আৰু চত্তিশগড়ৰ ৩টাকৈ আৰু মণিপুৰ, ত্ৰিপুৰা আৰু জম্মু-কাশ্মীৰৰ এটাকৈ সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত অসমত বিভিন্ন দলৰ শীৰ্ষ কেন্দ্ৰীয় পৰ্যায়ৰ নেতাৰ লগতে বিভিন্ন ৰাজনৈতিক দলৰ নেতা, মন্ত্ৰী, সাংসদ তথা বিধায়কৰ প্ৰচাৰ অব্যাহত আছে। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালৰ সমৰ্থনত ডিব্ৰুগড়ত কালি এটা ৰোড শ্ব'ত অংশ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে চৌকিডিঙি খেলপথাৰৰ পৰা ডিব্ৰুগড় চহৰৰ বিভিন্ন অঞ্চলৰ মাজেৰে ৰোড শ্ব'ত ভাগ লৈ থানা চাৰিআলিত উপস্থিত হয়। উল্লেখযোগ্য যে ৰাজ্যখনত এইবাৰৰ লোকসভা নিৰ্বাচনত বিজেপিয়ে মুঠ ১৪ খন আসনৰ ১১ খনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইয়াৰে বিজেপিৰ মিত্ৰদল অসম গণ পৰিষদে দুখনকৈ আসন ক্ৰমে বৰপেটা আৰু ধুবুৰী আৰু ইউ পি পি এলে কোকৰাঝাৰত প্ৰাৰ্থী নিক্ষেপ কৰিছে। এই ১৪টা লোকসভা সমষ্টিৰ বাবে অহা ১৯, ২৬ এপ্ৰিল আৰু ৭ মে'ত মুঠ তিনিটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব।

ইপিনে বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাইলৈ তিনিচুকীয়াত এটা নিৰ্বাচনী প্ৰচাৰ কাৰ্যসূচীত অংশ ল'ব। আনহাতে আম আদমী পাৰ্টিৰ নেত্ৰী তথা দিল্লী চৰকাৰৰ মন্ত্ৰী আতিশীয়েও আজিৰে পৰা তিনিদিনীয়াকৈ ৰাজ্যখনত প্ৰচাৰ চলোৱাৰ কথা। নেত্ৰীগৰাকীয়ে ডিব্ৰুগড় আৰু শোণিতপুৰ লোকসভা সমষ্টিৰ দলীয় প্ৰাৰ্থী মনোজ ধানোৱাৰ আৰু ঋষিৰাজ কৌন্দিন্যৰ হৈ প্ৰচাৰ চলাব। তেওঁ আজি পুৱা ডিব্ৰুগড় বিমানবন্দৰত উপস্থিত হৈ সংবাদ মাধ্যমৰ সৈতে মত বিনিময় কৰিব। দুপৰীয়াৰ ভাগত শিক্ষা মন্ত্ৰীগৰাকীয়ে দুলীয়াজানত আপৰ প্ৰাৰ্থীগৰাকীৰ হৈ এটা ৰোড শ্ব'ত অংশ ল'ব। ৯ এপ্ৰিলত তেওঁ তিনিচুকীয়া জিলাত সংবাদ প্ৰতিষ্ঠানৰ সৈতে মত বিনিময়ৰ লগতে মাৰ্ঘেৰিটাত মটৰ চাইকেল সমদল আৰু নিৰ্বাচনী সভাত অংশ ল'ব। ১০ এপ্ৰিলত তেওঁ তেজপুৰৰ প্ৰাৰ্থীগৰাকীৰ হৈ ৰোড শ্ব'ত অংশ ল'ব।

০০০০০

বিজেপিৰ সভাপতি জেপিনাড্ডাই কৈছে যে, বিজেপি চৰকাৰে তামিল ভাষাৰ গুৰুত্ব স্বীকাৰ কৰি ভাষাটোক এক সন্মানজনক স্থান দিছে। সেয়ে কাশী তামিল সংগমমৰ আয়োজন কৰা হৈছে যাতে ইয়াৰ জৰিয়তে তামিলনাড়ুৰ লোকসকলে কাশীত বাস কৰা লোকসকলৰ সৈতে সাংস্কৃতিৰ আদান-প্ৰদান কৰাৰ লগতে আন সহযোগিতা আগবঢ়াব পাৰে। কাৰুৰত অনুষ্ঠিত এখন নিৰ্বাচনী জনসভাত তেওঁ কয় যে তামিলনাড়ু হৈছে সাহিত্যৰ ক্ষেত্ৰত অতি চহকী স্থান য 'ত তিৰুৱল্লুৱাৰ আৰু কবি ভাৰতীৰ দৰে বিখ্যাত ব্যক্তিৰ জন্ম হৈছিল। চৰকাৰৰ বিগত দহ বছৰৰ সাফল্যৰ তালিকা আগবঢ়াই তেওঁ কয় যে চৰকাৰৰ মেক ইন ইণ্ডিয়া পদক্ষেপে বিভিন্ন খণ্ডত স্থানীয় উৎপাদন বৃদ্ধি কৰিছে। তেওঁ লগতে কয় , বিজেপি চকাৰৰ আশাশুধিয়া প্ৰচেষ্টাৰ বাবেই দৰিদ্ৰ সীমাৰেখাৰ তলত জীৱন কটোৱা ২৫ কোটি লোক জীৱন ধাৰণৰ মান শেহতীয়াকৈ উন্নত হৈছে। বিৰোধী দলসমূহ দেশৰ উন্নয়নৰ বিৰুদ্ধেহে ঐক্যবদ্ধ হৈছে বুলি উল্লেখ কৰি বিজেপীৰ শীৰ্ষ নেতাগৰাকীয়ে বংশবাদী ৰাজনীতিক উৎসাহিত কৰাৰ বাবে ডি এম কে আৰু কংগ্ৰেছক সমালোচনা কৰে। ইয়াৰ পূৰ্বে নড্ডাই তিৰুচিৰাপল্লীতো এটা ৰোড শ্ব ’ত অংশগ্ৰহণ কৰি বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহাৰাষ্ট্ৰৰ চন্দ্ৰপুৰ আৰু গৰচিৰলি লোকসভা সমষ্টিৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা বিজেপি প্ৰাৰ্থীৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আজি চন্দ্ৰপুৰ ভ্ৰমণ কৰিব। মৰৱা বিমানবন্দৰ গ্ৰাউণ্ডত আয়োজিত হ'বলগীয়া জনসভাত ৰাজ্যখনৰ কেবাগৰাকীও জ্যেষ্ঠ বিজেপি নেতা তথা মহাৰাষ্ট্ৰৰ মহাযুঁটি মিত্ৰজোঁটৰ নেতাই অংশগ্ৰহণ কৰিব। ৰাজ্যখনৰ বনমন্ত্ৰী সুধীৰ মুংগাণ্টিৱাৰে চন্দ্ৰপুৰ লোকসভা আসনখনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে গৰচিৰলিৰ বৰ্তমানৰ সাংসদ অশোক নেতেয়ে গৰচিৰলি লোকসভা আসনখনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰামটেক লোকসভা সমষ্টিৰ কানহান অঞ্চলত অহা ১০ এপ্ৰিলত মহাযুঁটি মিত্ৰজোঁটৰ প্ৰাৰ্থী ৰাজু পাৰৱেৰ হৈ নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশ ল'ব। উল্লেখযোগ্য যে, ৰাজু পাৰৱেই গ্ৰাম্য নাগপুৰৰ পৰা ৰামটেক লোকসভা আসনখনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিছে। পূব বিদৰ্ভৰ নাগপুৰ, ৰামটেক, হান্দ্ৰাপুৰ, গৰচিৰলি চিমুৰ আৰু ভান্দাৰা গন্দিয়াকে ধৰি ৫টা সমষ্টিত অহা ১৯ এপ্ৰিলত নিৰ্বাচন অনুষ্ঠিত হ'ব।

ooooo

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি চত্তিশগড়ৰ বাষ্টাৰ জিলাত এটা নিৰ্বাচনী সমদলত অংশ ল'ব। চত্তিশগড়ৰ বনমন্ত্ৰী কেদাৰ কাশ্যপে কৈছে যে, প্ৰধানমন্ত্ৰীয়ে বাষ্টাৰ জিলাৰ পৰা বিজয় সংকল্প শংখনাদ সমদল আৰম্ভ কৰিব। প্ৰধানমন্ত্ৰীয়ে বাষ্টাৰ লোকসভা সমষ্টিৰ ভানিপুৰীৰ আমাবল গাঁৱত এখন সভাক সম্বোধন কৰিব। সমষ্টিটোত অহা ১৯ এপ্ৰিলত নিৰ্বাচন অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে চত্তিশগড়ত ২০১৯ চনৰ লোকসভা নিৰ্বাচনত বিজেপিয়ে ৯খন আসন লাভ কৰাৰ বিপৰীতে ভাৰতীয় জাতীয় কংগ্ৰেছে কেৱল দুখন

আসন লাভ কৰিছিল। আনহাতে ২০১৪ৰ নিৰ্বাচনত বিজেপিৰ ১০ আসনৰ বিপৰীতে কংগ্ৰেছে কেৱল এখন আসনহে লাভ কৰিবলৈ সমৰ্থ হৈছিল।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা লক্ষ্ণৌৰ অটল বিহাৰী বাজপেয়ী একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে গুজৰাট টাইটানছক ৩৩ ৰানত পৰাজিত কৰে। গুজৰাট টাইটানছে ১৬৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৩০ ৰান কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ ছাই সুদৰ্শনে ৩১ ৰান কৰে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ য়শ ঠাকুৰে ৫টা উইকেট  দখল কৰাৰ বিপৰীতে ক্ৰুনাল পাণ্ডিয়াই ৩টা উইকেট লাভ কৰে। য়শ ঠাকুৰক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়। ইয়াৰ পূৰ্বে লক্ষ্ণৌয়ে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয়। দলটোৰ হৈ মাৰ্কাছ ষ্টয়নিছে ৫৮ ৰান কৰে।

ইপিনে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত আন এখন খেলত মুম্বাই ইণ্ডিয়ানছে দেলহী কেপিটেলছক ২৯ ৰানত পৰাস্ত কৰে। দেলহীয়ে ২৩৫ ৰানৰ লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ২০৫ ৰানহে কৰিবলৈ সমৰ্থ হয়।

প্ৰতিযোগিতাত আজি চেন্নাই এম এ চিদাম্বৰম ষ্টেডিয়ামত হ’বলগীয়া খেলত চেন্নাই ছুপাৰ কিংছ, কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ’ব।

০০০০০

সমাপ্ত